# REGIONAL NEWS UNIT

AKASHVANI :: GUWAHATI

0000000000

**Date : 09-05-2025**

**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::**

পাকিস্তানে আজি পুনতি নিশাৰে পৰা দেশৰ পশ্চিম অংশৰ জম্মু আৰু কাশ্মীৰৰ লে'হৰ পৰা গুজৰাটৰ চাৰ ক্ৰিকলৈকে সম্পূৰ্ণ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ৩৬ খন স্থানত শক্তিশালী কামান আৰু অস্ত্ৰ-শস্ত্ৰৰে আক্ৰমণ চলায়। ইয়াৰ উপৰি পাকিস্তানে কেইবাটাও অঞ্চলত ড্ৰোনেৰে ভাৰতীয় সীমাৰ ভিতৰত সোমাই সশস্ত্ৰ বাহিনীৰ ঘাটি আৰু গুৰুদ্বাৰাকে ধৰি সৰ্বসাধাৰণৰ ৰাইজৰ বাসগৃহ আৰু সম্পত্তিৰ ওপৰত আক্ৰমণ চলোৱাৰ চেষ্টা কৰে। ভাৰতীয় আকাশমাৰ্গ প্ৰতিৰক্ষা প্ৰণালী আৰু আন সামৰিক উপায়েৰে পাকিস্তানৰ আক্ৰমণৰ যোগ্য প্ৰত্যুত্তৰ দিয়া হয়। আজি বিয়লি নতুন দিল্লীত বৈদেশিক সচিব বিক্ৰম মিশ্ৰি আৰু প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মুখপাত্ৰ কৰ্ণেল ছোফিয়া কুৰেশ্বি আৰু উইং কমাণ্ডাৰ ব্যোমিকা সিঙে সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে।

বৈদেশিক সচিব বিক্ৰম মিশ্ৰিয়ে পাকিস্তানৰ যোৱা নিশা আৰু আজিৰ কাৰ্যকলাপসমূহক অতিশয় উচতনিমূলক বুলি আখ্যা দিয়ে আৰু ইয়াক দুই দেশৰ মাজৰ পৰিস্থিতিৰ অৱনতি ঘটোৱাৰ প্ৰয়াস বুলি মন্তব্য কৰিছে।

০০০০

ভাৰতীয় ৰে'লৱেই জম্মু আৰু চণ্ডীগড়ৰ বিমানবন্দৰ বন্ধ হোৱাৰ পৰিপ্ৰেক্ষিতত সেই অঞ্চলত আৱদ্ধ হৈ থকা যাত্ৰীসকলৰ বাবে বিশেষ ৰেলগাড়ীৰ ব্যৱস্থা কৰিছে। ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি এই বিশেষ ব্যৱস্থাৰ পৰ্যালোচনা কৰি ৰেল বিভাগৰ বিষয়াসকলক বিভিন্ন চৰকাৰী সংস্থাৰ সৈতে সমন্বয় সাধন কৰি সীমান্ত অঞ্চলত থকা জনসাধাৰণৰ সহায়ৰ বাবে বিশেষ ৰে'লৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। এই বিশেষ ৰেলসমূহৰ ভিতৰত আজি নিশা ১১ বাজি ৫৫ মিনিটত জম্মুৰ পৰা এখন বিশেষ অসংৰক্ষিত ৰেলগাড়ী উত্তৰ প্ৰদেশ আৰু বিহাৰ হৈ গুৱাহাটীলৈ চলোৱাৰ পৰিকল্পনা কৰা হৈছে।

০০০০

কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয়, যে দেশত অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱ ঘটা নাই। বৰ্তমান অত্যাৱশ্যকীয় সামগ্ৰীৰ মজুত প্ৰয়োজনতকৈ বহু পৰিমাণে বেছি আছে বুলি তেওঁ ৰাইজক আশ্বস্ত কৰে। খাদ্য সামগ্ৰীৰ অভাৱ ঘটা বুলি প্ৰচাৰ হোৱা বাতৰি ভুৱা বুলি প্ৰকাশ কৰি তেওঁ এনেধৰণৰ অপপ্ৰচাৰত বিশ্বাস নকৰিবলৈ ৰাইজক আহ্বান জনায়।

০০০০

দিল্লী বিমানবন্দৰত আজি ১৩৮ খন বিমানৰ সেৱা বাতিল কৰা হয়। ইয়াৰ ভিতৰত অৱতৰণ কৰিবলগীয়া ৪ খন আন্তঃৰাষ্ট্ৰীয় বিমান, যাত্ৰা কৰিবলগীয়া ৫ খন আন্তঃৰাষ্ট্ৰীয় বিমান, ৬৩ খন অৱতৰণ কৰিবলগীয়া ঘৰুৱা বিমান আৰু দিল্লীৰ বিমানবন্দৰৰ পৰা উৰিবলগীয়া ৬৬ খন বিমান আছে। যাত্ৰীসকলক

শেহতীয়া বিমানৰ তথ্যৰ বাবে সংশ্লিষ্ট সংস্থাৰ তথ্য পৰীক্ষা কৰিবলৈ আৰু বিকল্প যাত্ৰাৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

ইতিমধ্যে পাকিস্তানৰ শেহতীয়া আগ্ৰাসী মনোভাবৰ প্ৰতি লক্ষ্য ৰাখি কিষণগড়, ভুন্তৰ আৰু লুধিয়ানা বিমান বন্দৰ বন্ধ কৰি দিয়া হৈছে। ইয়াৰ পূৰ্বে ৰাজস্থান, পাঞ্জাব, জম্মু-কাশ্মীৰ, চণ্ডীগড় আৰু হিমাচল প্ৰদেশকে ধৰি কেইবাখনো ৰাজ্যৰ বিমান বন্দৰৰ সেৱা বাতিল কৰা হৈছে।

০০০০

পৰহিলৈ হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনাৰ বাবে জিলাসমূহত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। **কামৰূপ** জিলাত শান্তিপূৰ্ণভাৱে ভোটগণনাৰ বাবে তিনি ঠাইত ভোটগণনা কক্ষ স্থাপন কৰা হৈছে। আমিনগাঁও আয়ুক্তৰ কাৰ্যালয়, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় আৰু ৰঙিয়া সমজিলা কাৰ্যালয়ত ভোটগণনা কেন্দ্ৰ স্থাপন কৰা হৈছে।

**ডিব্ৰুগড়** জিলাতো ভোটগণনা নিয়াৰিকৈ সম্পন্ন কৰিবলৈ কালি এই প্ৰক্ৰিয়াত নিয়োজিত সুক্ষ্ম নিৰীক্ষক, কাউণ্টিং ছুপাৰভাইজাৰ আৰু সহযোগীসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। **তিনিচুকীয়া** আৰু **শোণিতপুৰ** জিলাতো ভোটগণনাৰ বাবে যাৱতীয় প্ৰস্তুতি অব্যাহত আছে। বজালী জিলা আৰু মানকাচৰ জিলাৰ হাটশিঙিমাৰীতো অহা ১১ মে'ত হ'বলগীয়া ভোটগণনাৰ বাবে জিলা প্ৰশাসনৰ ব্যাপক প্ৰস্তুতি চলিছে। ধেমাজি জিলাৰ ধেমাজী আৰু চিচিবৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত জিলা পৰিষদ, আঞ্চলিক পৰিষদ আৰু গাওঁ পঞ্চায়তৰ বাবে ধেমাজি মহাবিদ্যালযত অহা ১১ মে'ত ভোটগণনা অনুষ্ঠিত হ'ব। জোনাই বিধানসভা সমষ্টিৰ অন্তৰ্গত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা জোনাইৰ চিদিচি কাৰ্যালয়ত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ বাবে যোৱা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। দুয়োটা পৰ্যায়ৰে ভোটগণনা অহা ১১ মে'ত সম্পন্ন হ'ব।

০০০০

সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনসমূহে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰাৰ প্ৰয়াস কৰিছে। তিনিচুকীয়া জিলাত অসামৰিক প্ৰতিৰক্ষা বিভাগে জিলাখনৰ বিভিন্ন অঞ্চলৰ বিদ্যালয়, মহাবিদ্যালয় আৰু ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানত সজাগতা অভিযান চলাইছে। এই সজাগতা অভিযানত অসামৰিক প্ৰতিৰক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগতে উচ্চ প্ৰশিক্ষণপ্ৰাপ্ত স্বেচ্ছাসেৱকৰ দলে ছাত্ৰ-ছাত্ৰী তথা জনসাধাৰণক জৰুৰীকালীন অৱস্থাত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সন্দৰ্ভত অৱগত কৰাৰ লগতে প্ৰশিক্ষণ প্ৰদান কৰে।

০০০০

চলিত সপ্তম খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে আজি তৃতীয়টো সোণৰ পদক লাভ কৰিছে। ৰাজ্যৰ প্ৰতিভাৱান সাঁতোৰবিদ বাছিত আহমেদে ৫০ মিটাৰ ব্ৰেষ্ট ষ্ট্ৰকত ৩০ দশমিক ৪-৬ চেকেণ্ড সময়েৰে শ্ৰেষ্ঠত্ব অৰ্জন কৰি অসমক পঞ্চমটো পদক দিবলৈ সক্ষম হয়। ইফালে অসমৰ প্ৰিয়ানুজ ভট্টাচাৰ্যই আজি ল'ৰাৰ একক শাখাৰ টেবল টেনিছৰ ফাইনেলত প্ৰৱেশ কৰি নিজৰ দ্বিতীয়টো তথা ৰাজ্যৰ ষষ্ঠটো পদক নিশ্চিত কৰে।

০০০০

সমাপ্ত